**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক নতুন ৰূপ দিয়াৰ প্ৰয়াসেৰে উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত গুৰুত্ব আৰোপ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰ আৰক্ষী আৰু অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটৰ বৈঠক।

৩। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত অনিয়মৰ অভিযোগ কৰি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীলৈ যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পত্ৰ প্ৰেৰণ।

৪। আৰক্ষীৰ স্মৃতি দিৱসত দেশৰ বাবে প্ৰাণ আহুতি দিয়া ছহিদলৈ শ্ৰদ্ধাঞ্জলি। কাহিলিপাৰাত অসম আৰক্ষীৰ স্মৃতি দিৱস পালন। **আৰু**

৫। পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন।

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন পৰ্যটনস্থলীক নতুন ৰূপ দিয়াৰ প্ৰয়াসেৰে উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত গুৰুত্ব আৰোপ কৰিছে। ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰা মতে কাজিৰঙা, জিৰ', ছ'হৰা, ঠেনজল, মাতাবাৰী, কিছামা, নামছি আৰু মৈৰাঙক বিশ্বমানৰ পৰ্যটনস্থলী কৰি তোলাৰ বাবে কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উত্তৰ-পূবক ভাৰতৰ বিকাশৰ ইঞ্জিন হিচাপে গঢ়ি তুলিবলৈ অঞ্চলটোত পৰ্যটন আৰু সাংস্কৃতিক ক্ষেত্ৰৰ পৰিৱৰ্তন সাধন কৰিব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি প্ৰতিখন ৰাজ্যতে কেতবোৰ বিশেষ সামগ্ৰীৰ প্ৰচাৰৰ বাবে অভিলাষী আঁচনি লোৱা হৈছে। ইয়াৰ বাবে অসমৰ মুগা, মেঘালয়ৰ লেকাডং হালধি, মণিপুৰৰ প'ল', ছিকিমৰ জৈৱিক কৃষি আৰু ত্ৰিপুৰাৰ কুইন প্ৰজাতিৰ আনাৰসক বিশ্বজুৰি জনপ্ৰিয় কৰাৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। উত্তৰ-পূবৰ সম্ভাৱনাপূৰ্ণ পৰ্যটন খণ্ডক আগুৱাই নিয়াৰ লক্ষ্যৰে অঞ্চলটোৰ ৮ খন ৰাজ্যত বিমান বন্দৰৰ সংখ্যা ১৭ লৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তদুপৰি ভৌগোলিক পৰ্যটনৰ ধাৰণাটো জনপ্ৰিয় কৰিবলৈ বহনক্ষম কাৰ্যসূচী লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শেহতীয়াকৈ হোম ষ্টে আৰু ভৌগোলিক পৰ্যটনৰ পৰিসৰ ৪৫ শতাংশ বৃদ্ধি হৈছে বুলিও তেওঁ কয়। তেওঁ লগতে পৰ্যটন, বিনিয়োগ, হস্তশিল্প, কৃষি আন্তঃগাঁথনি, ক্ৰীড়া আৰু উত্তৰ-পূবক অৰ্থনৈতিক কৰিড'ৰ হিচাপে গঢ়ি তুলিবলৈ কৰ্ম বাহিনী গঠনত গুৰুত্ব আৰোপ কৰে। উত্তৰ-পূবৰ পৰা ৰপ্তানি বৃদ্ধি কৰাৰ বাবে নতুন প'ৰ্টেল মুকলি কৰা হৈছে বুলিও তেওঁ কয়।

২০২৯ চনৰ ভিতৰত উত্তৰ-পূবৰ সকলো ৰাজ্য সম্পূৰ্ণৰূপে ৰে'ল সংযোগেৰে কাৰ্যক্ষম হৈ উঠিব বুলিও তেওঁ উল্লেখ কৰে। ভাৰত-ম্যানমাৰ-থাইলেণ্ড ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলক নতুন ৰূপ দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ দুৱাৰ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২০২৪-২৫ বিত্তীয় বৰ্ষত ড'নাৰ মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে ৩ হাজাৰ ৪৪৭ কোটি ৭১ লাখ টকা ব্যয় কৰিছিল। পূৰ্বৰ বিত্তীয় বৰ্ষৰ তুলনাত এই হাৰ ৭৪ শতাংশ অধিক। চলিত বছৰৰ নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত ৰাইজিং-নৰ্থ ইষ্ট

শীৰ্ষক বিনিয়োগ সন্মিলনৰ অভিজ্ঞতা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে এই সন্মিলনত ১০০ তকৈ অধিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে।

০০০০০০

অহা ডিচেম্বৰৰ বা জানুৱাৰীৰ ভিতৰত কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বাগৰিত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এই কথা সদৰি কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ৩২ কিলোমিটাৰ এলিভেটেড কৰিড'ৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত অনুমোদন দিছে। উল্লেখযোগ্য যে ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰৰ পৰা নুমলীগড় পৰ্যন্ত পথছোৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী সুৰক্ষাৰ লগতে আন কেতবোৰ কাৰণত চাৰিলেনযুক্ত পথলৈ উন্নীত হোৱা নাছিল। বৃহত্তৰ এলেকাটোৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি শেহতীয়াকৈ এই পথছোৱাত এলিভেটেড কৰিড'ৰসহ চাৰিলেনযুক্ত পথলৈ উন্নীত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়।

০০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে আজি দেশখনৰ আৰক্ষীৰ সৈতে আলোচনাত মিলিত হ'ব। এছ্ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলৰে গঠিত দুজনীয়া দলটোৱে ছিংগাপুৰ আৰক্ষীৰ পৰা জুবিনৰ মৃত্যু সন্দৰ্ভত যাৱতীয় তথ্য গ্ৰহণ কৰিব। ছিংগাপুৰ ভ্ৰমণ সন্দৰ্ভত গোটৰ মুৰব্বী গুপ্তাই পৰৱৰ্তী সময়ত সংবাদ মাধ্যমক সকলো অৱগত কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে।

ইপিনে সোণাপুৰত থকা জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰ নিৰ্মাণক লৈ কালি শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মাণ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গ, ভগ্নী পামী বৰঠাকুৰ, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথী মহন্ত, অভিনেতা প্ৰাঞ্জল শইকীয়া, লেখিকা অনুৰাধা শৰ্মা পূজাৰী, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, সংগীত শিল্পী পুলক বেনাৰ্জীকে ধৰি সমিতিখনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। বৈঠকৰ অন্তত সাংবাদিকৰে হোৱা কথা বাৰ্তাত গৰিমা গাৰ্গে কয়, যে জুবিন গাৰ্গক নৱপ্ৰজন্মৰ আগত চিনাকী কৰি দিব পৰাকৈ সকলো সমল সমাধিক্ষেত্ৰত থাকিব লাগিব। জুবিনৰ শেষকৃত্য সম্পন্ন হোৱা সোণাপুৰৰ কমাৰকুছি স্থানক জুবিনক্ষেত্ৰ হিচাপে পৰিচিত হোৱাটো বিচাৰে বুলি গৰিমা গাৰ্গে প্ৰকাশ কৰে। জুবিন গাৰ্গে প্ৰকৃতিক অন্তৰেৰে ভাল পাইছিল বুলি উল্লেখ কৰি গৰিমা গাৰ্গে কয়, যে জুবিনক্ষেত্ৰখনো প্ৰাকৃতিক পৰিৱেশৰ সৈতে সংপৃক্ত হৈ থাকিব লাগিব।

**ৰাইট (গৰিমা গাৰ্গ)**

ইপিনে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি যোৰহাটত প্ৰকাশ কৰে। তদন্তকাৰী সংস্থাৰ ওপৰত আস্থা ৰাখিবলৈও তেওঁ ৰাইজলৈ আহ্বান জনায়।

**ৰাইট (পবিত্ৰ মাৰ্ঘেৰিটা)**

০০০০০০

বাক্সা জিলাৰ নিকাছি কাৰাগাৰত সংঘটিত হিংসাত্মক ঘটনাৰে জড়িত আৰু দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বাক্সা জিলাৰ আৰক্ষী অধীক্ষক উজ্জ্বল প্ৰতীম বৰুৱাই জনোৱা মতে হিংসাত্মক ঘটনাৰে জড়িত মুঠ ১১ জন লোকক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ১৫ অক্টোবৰত জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বাক্সা কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। দুই অভিযুক্তক কঢ়িয়াই নিয়া বাহনলৈ লক্ষ্য কৰি একাংশ লোকে শিলগুটি নিক্ষেপ কৰিছিল। ইয়াৰ পিছতেই পৰিস্থিতি অধিক অৱনতি ঘটে। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে, সম্প্ৰতি বাক্সা জিলাৰ পৰিৱেশ স্বাভাৱিক হৈছে যদিও জিলাখনত বি এন এছ্ এছ্ৰ ১৬৩ ধাৰা অব্যাহত আছে। হিংসাত্মক ঘটনাৰে জড়িত প্ৰত্যেকজন লোকক চিনাক্ত কৰা হৈছে বুলি উল্লেখ কৰি আৰক্ষী বিষয়াগৰাকীয়ে কয়, যে চিনাক্ত কৰা প্ৰতিজন লোকক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰা হ'ব।

০০০০০০

ৰাজ্যখনত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নামত অনিয়ম হোৱা বুলি অভিযোগ উত্থাপন কৰি যোৰহাটৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত শ্ৰী গগৈয়ে যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণক কাম-কাজ লেহেমীয়া হোৱাৰ ফলত উজনি অসমৰ ৰাইজৰ ভীষণ সমস্যা হৈছে বুলি উল্লেখ কৰে। ৩১ ডিচেম্বৰৰ ভিতৰত এই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলি কোৱা হৈছিল যদিও ঘাইপথটোৰ বৃহৎ অংশ অসম্পূৰ্ণ হৈ থকাৰ বিষয়টো সাংসদগৰাকীয়ে মন্ত্ৰীগৰাকীক দৃষ্টিগোচৰ কৰে। তেওঁ লগতে এই ঘাইপথ নিৰ্মাণৰ কামত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলি কামৰ অগ্ৰগতি আৰু মান সূক্ষ্মভাৱে পৰীক্ষা কৰিবলৈ দাবী জনায়।

০০০০০০

কাহিলিপাৰাৰ দশম অসম আৰক্ষী ছাউনীত আজি আৰক্ষী স্মৃতি দিৱস উদযাপন কৰা হয়। এই দিৱস উপলক্ষে দেশৰ বাবে প্ৰাণ আহুতি দিয়া আৰক্ষীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমীত সিঙকে ধৰি আৰক্ষীৰ শীৰ্ষ বিষয়াসকলেও শ্ৰদ্ধাঞ্জলি জনায়। দিৱস উপলক্ষে আকৰ্ষণীয় পেৰেড অনুষ্ঠিত হয়। আৰক্ষী স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীলৈ অভিবাদন জ্ঞাপন কৰে। দেশক ৰক্ষা কৰাৰ বাবে আৰক্ষীৰ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰে। তেওঁ কয়, যে আৰক্ষীৰ নিৰন্তৰ সেৱাই জনসাধাৰণক সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰি আহিছে।

০০০০০০

সমগ্ৰ ৰাজ্যতে কালিৰেপৰা পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপন কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে  এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে কালীপূজা আৰু দীপাৱলী পালন কৰা হৈছে। মহানগৰখনৰ ভালেমান লোকৰ বাসগৃহৰ সন্মুখ আৰু দোকান পোহাৰৰ সন্মুখত শাৰী শাৰী কলগছ ৰোপণ কৰি বন্তিৰে চৌপাশ উজ্বলাই তোলা হৈছে। কালী মন্দিৰসমূহৰ লগতে আন কেতবোৰ ঠাইত ধৰ্মীয় ৰীতি-নীতিৰে কালী পূজা সম্পন্ন হয়।

০০০০০০

শিক্ষা তথা ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি অভিযান্ত্ৰিক বিদ্যালয়ৰ এটা ছাত্ৰীনিবাসৰ উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ জনজাতি পৰিক্ৰমা ভৈয়াম বিভাগৰ অধীনত নিৰ্মাণ কৰা এই ছাত্ৰীনিবাসটোৰ লগতে শিক্ষাৰ্থীৰ বৰ্ধিত সংখ্যালৈ লক্ষ্য ৰাখি আন এটা নিবাস নিৰ্মাণৰো অনুমোদন দিয়া বুলি মন্ত্ৰীগৰাকীয়ে কালি উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ধেমাজিৰ ভেহপৰাৰ ধেমাজি ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত উপস্থিত হৈ এটা ছাত্ৰাবাসৰ শিলান্যাস কৰে। ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে কয়, যে টাটা টেকন'লজীৰ সহায়ত উদ্যোগ ৪.০ৰ সৈতে সংযুক্ত হৈ দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ প্ৰৱৰ্তন কৰি ধেমাজিকে ধৰি আন ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰসমূহ উন্নীত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ইপিনে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত চৰকাৰ নিৰপেক্ষ বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

অসম চৰকাৰে ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱৰ বাবে মনোনয়ন আহ্বান কৰিছে। বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান আগবঢ়োৱা হয়। এগৰাকী ব্যক্তিয়ে নিজকে বা আন এগৰাকী ব্যক্তিক এই সন্মানৰ বাবে মনোনীত কৰিব পাৰে। assamcivilianawards.assam.gov.in প'ৰ্টেলৰ জৰিয়তে লাভ কৰা মনোনয়ন সমূহকহে বৈধ বুলি বিবেচনা কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন ২০ নৱেম্বৰ ধাৰ্য কৰা হৈছে। এই সন্মান লাভ কৰা সকলে নগদ ধনৰ পুৰস্কাৰ, চৰকাৰী আৰু তালিকাভুক্ত ব্যক্তিগত চিকিৎসালয়ত পাঁচ লাখ টকালৈ বিনামূলীয়া চিকিৎসাৰ সুবিধা, চৰকাৰী আৱৰ্ত ভৱন, অতিথিশালা আৰু অসম ভৱনত বিনামূলীয়া থকা-খোৱাৰ ব্যৱস্থাকে ধৰি কেইবাটাও সুবিধা লাভ কৰিব পাৰিব।

০০০০০০

প্ৰিয় শিল্পীক অকালতে হেৰুৱাই নিষ্প্ৰাণ পৰিৱেশত ৰাজ্যবাসীৰ দীপাৱলী উদযাপন, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সংক্ৰান্তত এছ আই টি ছিংগাপুৰত উপস্থিত হোৱা আৰু বলীউদৰ প্ৰখ্যাত কৌতুক অভিনেতা আছৰানীৰ মৃত্যুৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহত প্ৰকাশ পাইছে।

পাঁচমাহ পিছতে ৰাজ্যত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনত অসম গণ পৰিষদ-বিপিএফ-ইউপিপিএলৰ সৈতে ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰতা সন্দৰ্ভত এতিয়াও কোনো সিদ্ধান্ত হোৱা নাই। এই বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

উত্তৰ-পূবৰ একাংশ বিদ্ৰোহী সংগঠনৰ মুখ্য শিবিৰ হিচাপে পৰিচিত ম্যানমাৰত দ্বিতীয়বাৰৰ বাবে ড্ৰোন আক্ৰমণৰ ঘটনাত এন এছ চি এন কে ৰাইৰ এজন বিদ্ৰোহী নিহত আৰু কেইবাজনো আহত হোৱাৰ এটা বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতত জুবিন গাৰ্গৰ শেষকৃত্যস্থলীক জুবিন  ক্ষেত্ৰ হিচাপে নামকৰণ কৰাৰ বাবে গৰিমা শইকীয়া গাৰ্গে আগবঢ়োৱা প্ৰস্তাৱৰ বাতৰি প্ৰকাশ কৰিছে।

অহা ডিচেম্বৰ-জানুৱাৰী মাহৰ ভিতৰত কাজিৰঙাত হ'বলগীয়া এলিভেটেড কৰিডৰৰ আধাৰশিলা স্থাপন হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা এটা ঘোষণাৰে দৈনিক জনমভূমি কাকতে বাতৰি প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আই এন এছ বিক্ৰান্তত নৌসৈনিকৰ সৈতে দীপাৱলী উদযাপন কৰাৰ এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত কৰিবলৈ অসম আৰক্ষীৰ এছ আই টিৰ মুৰব্বী আৰু তদন্তকাৰী বিষয়া মুন্নাপ্ৰসাদ গুপ্তা তথা তৰুণ গোৱেল ছিংগাপুৰত উপস্থিত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে। এই একেটা বাতৰিক দা ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতীয় ষ্টেট বেংকৰ শেহতীয়া প্ৰতিবেদন অনুসৰি জি এছ টি হ্ৰাস পোৱা হেতুকে জনসাধাৰণৰ ক্ৰয় ক্ষমতা বৃদ্ধি হোৱাৰ লগতে চৰকাৰৰ জি এছ টি সংগ্ৰহ বহুপৰিমাণে বৃদ্ধি হ'ব বুলি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

শীঘ্ৰেই জনজাতিকৰণ নহ'লে আটাছাৰ নৱনিৰ্বাচিত সভাপতি জগদীশ বৰা আৰু সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে ধাৰাবাহিক আন্দোলনৰ হুংকাৰ দিয়া এটা বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী

ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত